পাঠ ১০

T1Y2Q7

# বেলি আৰু বতাহ

ড্ড ম্ভ হ্য ক্ত ক্র

*(আলিবাটৰ দৃশ্য। কাষত এজোপা ডাঙৰ গছ। বেলি আৰু বতাহে কথা পাতি থাকিব)*



**বেলি ঃ** বতাহ, মোৰ গাত কিন্তু বহুত বল আছে দেই।

**বতাহ ঃ** মোৰো গাত বহুত বল আছে।


**বেলি ঃ** থাকিব পাৰে, তথাপি মোৰ সমান বল কাৰো নাই।

**বতাহ ঃ** তুমি ক'লেই হ'বনে? মোৰহে বল বেছি। অলপ লৰ-চৰ কৰিলেই কাপোৰ-কানি, ধূলি-বালি আদি উৰুৱাই লৈ যাওঁ।

**বেলি ঃ** সেয়াতো নিচেই সৰু কাম। মই অলপ বেছি তাপ দিলেই পৃথিৱীৰ সকলো প্ৰাণী আৰু উদ্ভিদে কষ্ট পায়।

**বতাহ ঃ** মোৰ কথা শুনা। মই ইচ্ছা কৰিলে গছ-গছনি, ঘৰ-দুৱাৰ আদি ভাঙি-ছিঙি শেষ কৰি দিব পাৰোঁ।

*(বেলি আৰু বতাহৰ কথা-বতৰা গছজোপাই শুনি থাকিব, দুয়োলৈ চাই মূৰ লৰাব। তাৰ পিছত গছে মাত দিব)*



**গছ ঃ** তোমালোকে এনেদৰে তৰ্ক কৰি লাভ নাই। তাতকৈ কাৰ বল বেছি জানিবলৈ প্ৰমাণ চাওঁ আহা। *(বেলি আৰু বতাহে গছৰ কথাত মান্তি হয়)*


**বেলি আৰু বতাহ (একেলগে) ঃ** অ' অ', তুমি ঠিকেই কৈছা। তেনেহ'লে তাকে কৰা যাওক। *(তেনে সময়তে এজন বাটৰুৱা আহি থাকিব)*

**গছ ঃ** এটা কাম কৰা যাওক। সৌ বাটৰুৱাজন দেখিছা নহয়? তেওঁ গাত এখন এৰী চাদৰ লৈ আহিছে। তোমালোকৰ যিজনে তেওঁৰ গাৰ পৰা এৰী চাদৰখন গুচাব পাৰিবা তেৱেঁই বেছি বলৱান বুলি বুজি পাম।

**বেলি, বতাহ ঃ** তেনেহ'লে আমি আমাৰ কাম আৰম্ভ কৰোঁহক?

**গছ ঃ** ৰ'বা, ৰ'বা। একেলগে নহয়, এজন এজনকৈহে। প্ৰথমে বতাহে আৰম্ভ কৰাচোন।

**বতাহ ঃ** এয়া মই আৰম্ভ কৰিলোঁৱেই। *(জোৰেৰে বতাহ বলিবলৈ ধৰে)*



**বাটৰুৱা ঃ** উস্! বতাহজাক ইমান জোৰেৰে বলিছে। এৰী চাদৰখন ভালকৈ গাত মেৰিয়াই লওঁ।

*(বাটৰুৱাই গাত এৰী চাদৰখন ভালকৈ মেৰিয়াই ল'ব। বতাহৰ জোৰ যিমানেই বাঢ়ি যাব বাটৰুৱাজনেও সিমানেই এৰী চাদৰখন টানকৈ গাত মেৰিয়াই ল'ব)*

**বতাহ ঃ** নাই, মোৰ দ্বাৰা নহ'ব। মই বহু কষ্ট কৰিও বাটৰুৱাৰ গাৰ পৰা এৰী চাদৰখন গুচাব নোৱাৰিলোঁ। বেলি, এইবাৰ তুমিয়েই চেষ্টা কৰা।

**বেলি ঃ** ঠিক আছে, এইবাৰ মই চেষ্টা কৰি চাওঁ। *(বেলিয়ে গছৰ আঁৰৰ পৰা হাত দুখন মেলি তাপ বঢ়াই দিয়ে)*



**বাটৰুৱা ঃ** উস্! ইমান গৰম। অসহ্য লাগিছে। এৰী চাদৰখন গাৰ পৰা গুচালেহে সকাহ পাম।


*(বাটৰুৱাই গৰমত থাকিব নোৱাৰি গাৰ চাদৰখন গুচায় আৰু গছৰ ছাঁত জিৰণি লয়। বেলি আৰু বতাহ দুয়ো গছৰ আঁৰৰ পৰা ওলাই কাষত ধৰাধৰিকৈ থিয় হয়)*

**বতাহ ঃ** বেলি, মই হাৰিলোঁ। তুমিহে বাটৰুৱাৰ গাৰ চাদৰখন গুচাব পাৰিলা। মোতকৈ তোমাৰহে শক্তি বেছি। তুমিয়েই বলবান, তুমিয়েই শক্তিমান।

**গছ ঃ** বেলি, তুমি যদিও আজি জিকিলা অন্য পৰিস্থিতিত বতাহো জিকিব পাৰে। প্ৰকৃততে নিজ নিজ কামত সকলো ডাঙৰ। জীৱ জগতত বেলিৰ যিমান প্ৰয়োজন বতাহৰো সিমানেই প্ৰয়োজন।

*নাটিকাখন সাধু আকাৰে শিকাৰুক শুনাব আৰু শিকাৰুকো ক'বলৈ দিব। পাঠটোৰ সংলাপবোৰ পঢ়াত শিকাৰুক সহায় কৰিব।*

## কওঁ আহা



বেলি আৰু বতাহে গছৰ তলত বৈ কি কথা পাতিছিল?
বেলি আৰু বতাহৰ কথা-বতৰা শুনি গছজোপাই কি কৈছিল?
গছে কি কৰিবলৈ দিছিল?
নাটিকাখনত বেলি আৰু বতাহৰ মাজত কোন বেছি বলৱান?
শেষত গছে কি বুলি ক'লে?

## যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

উদ্ভিদ   দ্ভ = দ + ভ   দই ভই   দ্ভ

দ্ভ   দ + ভ   দই ভই   দ্ভ — উদ্ভিদ, উদ্ভৱ, সদ্ভাৱ
ম্ভ   ম + ভ   মই ভই   ম্ভ — ৰম্ভা, কুম্ভ, সম্ভৱ
হ্য   হ + য়   হই য়ই   হ্য — সহ্য, অসহ্য, দাহ্য

- 'হ'ৰ লগত 'য়' যোগ হ'লে 'হ'ৰ উচ্চাৰণ 'জ'ৰ নিচিনা হয়।

## যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | |
|---|---|---|
| দ + ভ | দই ভই | দ্ভ |
| ম + ভ | মই ভই | ম্ভ |
| হ + য় | হই য়ই | হ্য |

## যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা



ৰক্ত   ক্ত = ক + ত   কই তই = ক্ত

ক্ত   ক + ত   কই তই = ক্ত = ক্ত — ৰক্ত, তিক্ত, ভক্ত

ক্ৰ   ক + ৰ   কই ৰই = ক্ৰ = ক্ৰ — চক্ৰ, ক্ৰীড়া, ক্ৰিয়া

- 'ক'ৰ লগত 'ত' যোগ হ'লে তাৰ ৰূপ সলনি হৈ 'ক্ত' হয়।
- 'ক'ৰ লগত 'ৰ' যোগ হ'লে তাৰ ৰূপ সলনি হৈ 'ক্ৰ' হয়।

## যুক্তাক্ষৰ গঠন কৰোঁ আহা

ক + ত   কই তই = ক্ত = ক্ত

ক + ৰ   কই ৰই = ক্ৰ = ক্ৰ

## পঢ়োঁ আহা

সম্ভাৰ   উদ্ভাৱন   উদ্ভিদ   উদ্ভৱ   উহ্য   দাহ্য

সহ্য   অসহ্য   ৰম্ভা   কুম্ভীৰ   সম্ভৱ   গম্ভীৰ

তক্তা   শক্তি   মুক্তি   ৰক্তিম   ৰক্তপাত

শুক্ৰ   ক্ৰম   বক্ৰ   বিক্ৰম   আক্ৰমণ

সূৰ্য হ'ল শক্তিৰ ভাণ্ডাৰ। শুক্ৰ এটা গ্ৰহ।

কুম্ভীৰ এবিধ ঘঁৰিয়াল।

চেষ্টা কৰিলে সকলো সম্ভৱ হয়।

গছ, লতা, তৃণ আদিক উদ্ভিদ বোলে।



বলটোৰ পৰা যুক্তাক্ষৰ আনি শব্দ সাজা।

| | | |
|---|---|---|
| ড্ড | ক্ত | প্ত |
| ন্ত | হ্য | প্ৰ |
| ক্ৰ | স্ত | দ্ব |

ৰক্ত .................... .................... ....................

.................... .................... ....................

.................... .................... ....................

বাকচত থকা শব্দৰে বাক্য সম্পূৰ্ণ কৰোঁ আহা

| |
|---|
| দিৱাকৰ, পোহৰ, জোন, তাপ |

ৰাতিৰ আকাশত .............................. ওলায়।

বেলিৰ আন এটা নাম ..............................।

বেলিয়ে আমাক .............................. আৰু .............................. দিয়ে।

যুক্তাক্ষৰ ভাঙি লিখা।

ড্ড ..............................

স্ত ..............................

হ্য ..............................

ক্ত ..............................

ক্ৰ ..............................



নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী



## কাক কি বোলে, এটা শব্দত কওঁ আহা



বাটেৰে যোৱা মানুহ — বাটৰুৱা

গাঁৱত থকা মানুহ — গাঁৱলীয়া

নগৰত থকা মানুহ — নগৰীয়া

পাহাৰত থকা মানুহ — পাহাৰীয়া



## তলৰ তালিকাখনৰ পৰা বৰ্ণ আৰু যুক্তাক্ষৰ আনি শব্দ গঠন কৰা।

| | | | | | |
|---|---|---|---|---|---|
| ত | ঙ্ক | অ | ৰ | বে | বা |
| দ্য | ঠা | স | প | ন্ধ | ল্লা |
| ব | লি | গো | র্য | স্কে | স্তা |
| সূ | ৰ | র্ব | ল | প | ণ্ডা |



## অভিনয় কৰোঁ আহা

☛ *"বেলি আৰু বতাহ" নাটিকাখন শিকাৰুক অভিনয় কৰিবলৈ দিব। (বেলি, বতাহ, গছ আদিৰ মুখা ব্যৱহাৰ কৰিব)।*

☛ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## বাক্য লিখা।



ৰাতি — ..........................................................................................

..........................................................................................

জোন — ..........................................................................................

..........................................................................................

বেলি — ..........................................................................................

..........................................................................................

তৰা — ..........................................................................................

..........................................................................................

গছ — ..........................................................................................

..........................................................................................

## চাই চাই লিখা।

# বিদ্বান লোকে সকলোতে সন্মান পায়।

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

## দলীয় কাৰ্য

গৰমকালি আমাৰ পৰিৱেশৰ কি কি পৰিৱৰ্তন হয় (যেনে- বতৰ, গছ-গছনি, ফল-মূল, সময়, খেতি পথাৰ ইত্যাদি) তালিকা কৰি লিখা।

☞ *প্ৰয়োজন হ'লে সহায় কৰিব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*